# প্ৰলয়ংকাৰী ভূমিস্খলনৰ পৰিপ্ৰেক্ষিতত পাপুৱা নিউ গিনিলৈ ভাৰতৰ 1 নিযুত আমেৰিকান ডলাৰৰ তৎকালীন সাহায্য ঘোষণা

28 মে’, 2024

28 মে' 2024 তাৰিখে পাপুৱা নিউ গিনিৰ এনগা প্ৰদেশত এক প্ৰচণ্ড ভূমিস্খলন সংঘটিত হয় যিয়ে শতাধিক লোকক পুতি পেলায় আৰু বৃহৎ ধ্বংস আৰু প্ৰাণহানিৰ সৃষ্টি কৰে।

2. প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ সমবেদনা জ্ঞাপন কৰে আৰু প্ৰশান্ত মহাসাগৰীয় দ্বীপ ৰাষ্ট্ৰখনক এই কঠিন সময়ত সকলো ধৰণৰ সহায় আগবঢ়াবলৈ ভাৰত সদা প্ৰস্তুত হৈ থকাৰ বাৰ্তা ব্যক্ত কৰে।

3. ভাৰত-প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জ সহযোগিতা মঞ্চৰ (এফ.আই.পি.আই.চি) অন্তৰ্গত এক ঘনিষ্ঠ বন্ধু আৰু অংশীদাৰ হিচাপে আৰু পাপুৱা নিউ গিনিৰ বন্ধুত্বপূৰ্ণ জনসাধাৰণৰ প্ৰতি সংহতিৰ এক নিদৰ্শন হিচাপে ভাৰত চৰকাৰে সাহায্য, পুনৰ্বাসন আৰু পুনৰ্নিৰ্মাণৰ বাবে 1 নিযুত আমেৰিকান ডলাৰৰ তাৎক্ষণিক সাহায্য আগবঢ়াইছে।

4. 2018 চনত ভূমিকম্প আৰু 2019 আৰু 2023 চনত আগ্নেয়গিৰিৰ উদ্গীৰণৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ ফলত হোৱা ক্ষতিৰ সময়ত ভাৰতে পাপুৱা নিউ গিনিৰ সৈতে দৃঢ়তাৰে থিয় দিছে। 2019ৰ নৱেম্বৰ মাহত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা ভাৰত-প্ৰশান্ত মহাসাগৰীয় উদ্যোগৰ এটা গুৰুত্বপূৰ্ণ স্তম্ভ হৈছে দুৰ্যোগৰ সম্ভাৱনা হ্ৰাস আৰু ব্যৱস্থাপনা কৰা। ভাৰতে মানৱীয় সাহায্য আৰু দুৰ্যোগ প্ৰশমনৰ (এইচ.এ.ডি.আৰ.) বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু দায়িত্বশীল আৰু দ্ৰুত সহাঁৰি দিয়া অব্যাহত ৰাখিছে।

**নতুন দিল্লী**
**28 মে, 2024**